# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 29-11-2024

**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

ৰাজ্যখনৰ দুটা পৰ্যটন প্ৰকল্পৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে প্ৰায় ২০০ কোটি টকাৰ পুঁজি অনুমোদন জনোৱাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কৃতজ্ঞতা জ্ঞাপন কৰিছে। মূলধনী বিনিয়োগৰ বাবে ৰাজ্যসমূহক প্ৰদান কৰি অহা বিশেষ সাহায্যৰ অধীনত কেন্দ্ৰীয় চৰকাৰে ৰংঘৰ আৰু ৰাজ্যিক চিৰিয়াখানাৰ উন্নয়নৰ বাবে এই ধনৰাশিৰ অনুমোদন জনায়। অসম ৰাজ্যিক চিৰিয়াখানা তথা উদ্ভিদ উদ্যানৰ বাবে ৯৭ কোটি ১২ লাখ টকা আৰু শিৱসাগৰৰ ৰংঘৰৰ সৌন্দৰ্যবৰ্ধনৰ বাবে ৯৪ কোটি ৭৬ লাখ টকা কেন্দ্ৰীয় চৰকাৰে অনুমোদন জনায়। ৰাজ্যখনৰ সৰ্বাংগীন বিকাশ আৰু উন্নয়নৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰখনে লোৱা এই পদক্ষেপক মুখ্যমন্ত্ৰীগৰাকীয়ে ধন্যবাদ জ্ঞাপন কৰিছে।

ooooo

ৰাজ্যত অলপতে অনুষ্ঠিত বিধানসভাৰ উপ-নিৰ্বাচনত জয়ী হোৱা পাঁচগৰাকী বিধায়কে আজি বিধানসভাৰ নতুন ভৱনত আয়োজিত বিশেষ কাৰ্যসূচীত শপত গ্ৰহণ কৰে। বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে বঙাইগাঁৱৰ দিপ্তীময়ী চৌধুৰী, বিহালীৰ দিগন্ত ঘাটোৱাল, ধলাইৰ নিহাৰৰঞ্জন দাস, ছিদলীৰ নিৰ্মল কুমাৰ ব্ৰহ্ম আৰু চামগুৰি সমষ্টিৰ পৰা জয়ী হোৱা দিপ্লুৰঞ্জন শৰ্মাক শপত বাক্য পাঠ কৰোৱায়। শপতগ্ৰহণ অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকে।

ooooo

আই আই টি গুৱাহাটীত কাইলৈৰ পৰা ৩ ডিচেম্বৰলৈ ৪ দিনীয়া কাৰ্যসূচীৰে দশম বাৰ্ষিক ভাৰত আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান মহোৎসৱ অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰালয়ৰ উদ্যোগত হ'বলগীয়া এই মহোৎসৱৰ অহা ২ ডিচেম্বৰৰ অনুষ্ঠানত ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ অধ্যক্ষ তথা বিশিষ্ট বিজ্ঞানী এছ্‌ সোমনাথে ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰিব। আনৱিক শক্তি বিভাগ, ভাৰতীয় মহাকাশ বিজ্ঞান বিভাগ আৰু বিজ্ঞান ভাৰতীৰ সহযোগিতাত আয়োজন কৰা এই মহোৎসৱ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা মন্ত্ৰালয়ৰ স্বতন্ত্ৰ ৰাজ্যমন্ত্ৰী ডঃ জীতেন্দ্ৰ সিঙে উদ্বোধন কৰিব। উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমা উপস্থিত থাকিব। মহোৎসৱত দেশৰ বিভিন্ন প্ৰান্তৰ ১০ হাজাৰৰো অধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব।

ooooo

সদনৰ শীতকালীন অধিৱেশন আজি হুলস্থূলীয়া পৰিস্থিতিৰ বাবে একেৰাহে চতুৰ্থ দিনৰ কাৰ্যক্ৰমণিকা বাধাগ্ৰস্ত হয়। ৰাজ্যসভা দিনটোৰ বাবে স্থগিত ৰখাৰ বিপৰীতে নিৰ্দিষ্ট ব্যৱসায়ী গোষ্ঠীৰ উপ-টৌকনকে ধৰি

বিভিন্ন বিষয় সন্দৰ্ভত বিৰোধী সদস্যসকলে হুলস্থূলীয়া পৰিৱেশ সৃষ্টি কৰাৰ বাবে লোকসভাও দিনটোৰ বাবে স্থগিত ৰখা হয়।

আজি পুৱাৰ ভাগত ৰাজ্যসভা মিলিত হোৱাৰ পাছত ৰাজ্যসভাৰ সভাপতি জগদীপ ধনখড়ে নিৰ্দিষ্ট ব্যৱসায়ী গোষ্ঠীৰ উপ-টোকনকে ধৰি বিভিন্ন বিষয় সন্দৰ্ভত বিৰোধী সদস্যসকলৰ সদন স্থগিত প্ৰস্তাৱ অগ্ৰাহ্য কৰে। শ্ৰী ধনখড়ে সদনৰ কামকাজ বাধাগ্ৰস্ত কৰাৰ বাবে ২৬৭ নম্বৰ ধাৰা সদনত বাহাল কৰে। ৰাজ্যসভাৰ কামকাজ বাৰে বাৰে বাধাগ্ৰস্ত কৰাত অসন্তুষ্টি প্ৰকাশ কৰি শ্ৰী ধনখড়ে কয়, যে বিৰোধী সদস্যসকলে সদনত বেয়া পৰিৱেশৰ সূচনা কৰিছে আৰু জনসাধাৰণৰ আশানুৰূপ কাম কৰাৰ পৰা সদনক বাধা দিছে। তেওঁ কয়, যে বিৰোধী সদস্যসকলৰ এনে ধৰণৰ কামকাজ কেতিয়াও জনসাধাৰণৰ হিতৰ বাবে নহয়।

ইফালে লোকসভা মিলিত হোৱাৰ পাছত কংগ্ৰেছ, ডি এম কে, সমাজবাদী পাৰ্টীকে ধৰি আন বিৰোধী দলৰ সদস্যসকলে বিভিন্ন ধ্বনি দি হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই সদনৰ শূন্যকালৰ কামকাজ সুকলমে অনুষ্ঠিত কৰাৰ চেষ্টা অব্যাহত ৰাখে যদিও বিৰোধী সদস্যসকল নিজৰ দাবীত অটল থাকে। তেওঁ কয়, যে জনসাধাৰণে সদন সূচাৰুৰূপে অনুষ্ঠিত হোৱাটো বিচাৰে যদিও বিৰোধী সদস্যসকলে সদনৰ কামকাজত বাধা আৰোপ কৰি আহিছে। এনে ধৰণৰ পৰিস্থিতিৰ বাবে দুপৰীয়া ১২ বজালৈ সদন স্থগিত ৰখা হয়।

দুয়োখন সদন অহা ২ ডিচেম্বৰত পুনৰ অনুষ্ঠিত হ'ব।

00000

অসম বিধানসভাৰ ৰাজহুৱা হিচাপ নিৰীক্ষণৰ এটা দলে দুদিনীয়া ভ্ৰমণসূচীৰে আজি তিনিচুকীয়া জিলাত উপস্থিত হয়। বিধায়ক নুৰল হুদাৰ নেতৃত্বত যোৱা দলটোৱে জিলাখনৰ বিভিন্ন চৰকাৰী আঁচনি ৰূপায়ণ সন্দৰ্ভত পৰ্যবেক্ষণ কৰাৰ লগতে অগ্ৰগতি সন্দৰ্ভত বুজ লব। বিধানসভাৰ সজাতি দলটোৱে তিনিচুকীয়া জিলা প্ৰশাসনৰ সৈতে পৰ্যালোচনা বৈঠকতো অংশগ্ৰহণ কৰিব।

00000

লখিমপুৰ জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ উদ্যোগত আৰু ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ সহযোগত দুদিনীয়াকৈ জিলা পৰ্যায়ৰ তাৎক্ষণিক সঁহাৰি ব্যৱস্থাৰ প্ৰশিক্ষণ আৰু আখৰা অনুষ্ঠিত হয়। এই কাৰ্যসূচীত জিলাখনৰ বিভিন্ন বিভাগৰ লগতে এছ ডি আৰ এফ আৰু এন ডি আৰ এফৰ বিষয়া কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰে। প্ৰাকৃতিক আৰু মানৱসৃষ্ট দুৰ্যোগৰ সময়ত বিষয়া কৰ্মচাৰীসকলে বিভাগ অনুসৰি নিজৰ নিজৰ দায়িত্ব কিদৰে তাৎক্ষণিকভাৱে পালন কৰিব লাগে সেই সন্দৰ্ভত প্ৰয়োজনীয় প্ৰশিক্ষণ দিয়া হয়। প্ৰশিক্ষণ কাৰ্যসূচীৰ আজি অন্তিম দিনা ভূমিকম্পৰ সময়ত চলোৱা উদ্ধাৰ কাৰ্যৰ আখৰা কৰা হয়।

00000

তিনিচুকীয়া জিলা প্ৰশাসনৰ উদ্যোগত অহা ৩ ডিচেম্বৰৰ পৰা - ৫ ডিচেম্বৰলৈ তৃতীয় পৰ্যায়ৰ স্বচ্ছতাই সেৱা উৎসৱ অনুষ্ঠিত হ'ব। জিলা আয়ুক্তগৰাকীয়ে এই কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ সকলোকে আহ্বান জনাইছে।

00000

যোৰহাট জিলাৰ মৰিয়নীৰ নলবাৰীত আজি এটা ধান ক্ৰয় কেন্দ্ৰ মুকলি কৰা হয়। কেন্দ্ৰটো মুকলি পৰাৰ পাছতে আজি অঞ্চলটোৰ খেতিয়কসকলৰ পৰা ৪৮ কুইণ্টল ধান ক্ৰয় কৰা হয়।

০০০০০

সৰুসজাই ক্ৰীড়া প্ৰকল্পৰ কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ ইণ্ডোৰ ষ্টেডিয়ামত অহা ৩ ডিচেম্বৰৰ পৰা গুৱাহাটী মাষ্টাৰ্ছ আন্তৰ্জাতিক বেডমিণ্টন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাখনত ভাৰতৰ লগতে ২৩ খন দেশৰ মুঠ ৪৬১ গৰাকী খ্বাটলাৰে অংশগ্ৰহণ কৰিব। ভাৰতীয় বেডমিণ্টন ফেডাৰেচনৰ সহযোগত অসম বেডমিণ্টন সন্থাই ক্ৰমাগত দ্বিতীয়বাৰৰ বাবে এই প্ৰতিযোগিতা আয়োজনৰ সুযোগ লাভ কৰিছে।

০০০০০

সমাপ্ত